**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 21-03-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। আসন্ন লোকসভা নিৰ্বাচনৰ পূৰ্বে তেলেংগানাৰ ৰাজনৈতিক প্ৰেক্ষাপটত দ্ৰুত পৰিৱৰ্তন পৰিলক্ষিত হৈছে।

২। নিৰ্বাচন আয়োগে গুজৰাট, পঞ্জাৱ, ওড়িশা আৰু পশ্চিমবংগত জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা নন কেডাৰ বিষয়াসকলক বদলিকৰণৰ নিৰ্দেশ দিছে।

৩। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে উচ্চতম ন্যায়ালয় প্ৰাংগণত আজি সহায় কেন্দ্ৰৰ বিশেষ সুবিধা মুকলি কৰে।

আৰু

৪। ভাৰতীয় ৰে'ল বিভাগে উৎসৱৰ বতৰৰ প্ৰতি লক্ষ্য ৰাখি যাত্ৰীৰ সুচলতা সুনিশ্চিত কৰাৰ উদ্দেশ্যে ৫৪০ খন ৰে'লৰ চলাচল অব্যাহত ৰাখিছে।

ooooooo

আসন্ন লোকসভা নিৰ্বাচনৰ পূৰ্বে তেলেংগানাৰ ৰাজনৈতিক প্ৰেক্ষাপটত দ্ৰুত পৰিৱৰ্তন পৰিলক্ষিত হৈছে। ৰাজ্যখনত বিভিন্ন ৰাজনৈতিক দলৰ আগশাৰীৰ সদস্যই দল সলনি কৰা পৰিলক্ষিত হৈছে। ভাৰত ৰাষ্ট্ৰ সমিতিৰ কেইবাগৰাকীও সাংসদে দল ত্যাগ কৰাৰ পৰিপ্ৰেক্ষিতত দলটো প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। আনহাতে, দলত্যাগ কৰা নেতাসকলে আন দলসমূহত প্ৰাৰ্থিত্ব নিশ্চিত কৰিবলৈ সমৰ্থ হৈছে। ৰাজ্যখনৰ ১৭ টা লোকসভা সমষ্টিৰ ভিতৰত ১৫ টা সমষ্টিৰ বাবে বিজেপিয়ে ইতিমধ্যে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। অৱশ্যে এই প্ৰাৰ্থীসকলৰ ভিতৰত ৯ গৰাকীয়ে অলপতে দলত্যাগ কৰি বিজেপিত যোগদান কৰিছে। ইয়াৰ ভিতৰত - বি আৰ এছৰ আদিলাবাদৰ পূৰ্বৰ সাংসদ জি নাগেশ, জাহিদাবাদৰ সাংসদ বি বি পাটিল, নাগৰকুৰ্ণুলৰ টি আৰ এছৰ সাংসদ পি ৰামুলুৰ পুত্ৰ পি ভাৰত, টি আৰ এছৰ পূৰ্বৰ সাংসদ আজমিৰা সীতাৰমন নাইক, টি আৰ এছৰ পূৰ্বৰ বিধায়ক চাইদি ৰেড্ডী আদি অন্যতম। তদুপৰি পেডাপল্লিৰ পৰা প্ৰাৰ্থিত্ব লাভ কৰা জি শ্ৰীনিবাস কিছুদিন পূৰ্বলৈ কংগ্ৰেছ আৰু বি আৰ এছৰ সৈতে জড়িত হৈ আছিল। আনহাতে, কংগ্ৰেছ দলে এতিয়ালৈ কেইগৰাকীমান প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলটোৱে গৰিষ্ঠসংখ্যক আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই যদিও বি আৰ এছ দলৰ কেইবাগৰাকীও পূৰ্বৰ সদস্যক ইতিমধ্যে বাছনি কৰা হৈছে। ছেভেলাৰ সাংসদ ৰঞ্জিত ৰেড্ডী, পেডাপল্লিৰ পৰা বি ৱেংকটেশ নেথাকানি, পূৰ্বৰ বিধায়ক দানম নগেন্দ্ৰকে ধৰি কেইবাগৰাকীও প্ৰাৰ্থীয়ে কংগ্ৰেছৰ হৈ লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। ৱাৰাংগালৰ সাংসদ পি দয়াকাৰকে ধৰি বি আৰ এছৰ কেইবাগৰাকীও আগশাৰীৰ নেতাই কংগ্ৰেছ দলৰ প্ৰাৰ্থিত্বৰ প্ৰত্যাশা কৰিছে। কেইবাগৰাকীও জ্যেষ্ঠ নেতাই দলত্যাগ কৰাৰ পৰিপ্ৰেক্ষিতত বি আৰ এছ দল প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ বিপৰীতে বি এছ পিৰ ৰাজ্যিক সভাপতি আৰ এছ প্ৰবীণ কুমাৰে কিছুদিনৰ পূৰ্বে বি আৰ এছত যোগদান কৰিছে। বি আৰ এছ দলে ইতিমধ্যে ৪ খন আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলটোৰ নেতা কে চন্দ্ৰশেখৰ ৰাও তথা সভাপতি কে তাৰকাৰাম ৰাৱে সদস্যসকলৰ আত্মবিশ্বাস অক্ষুণ্ণ ৰখাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। সংসদীয় সমষ্টি পৰ্যায়ত কেইবাখনো সভাৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে ২০১৯ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ত ৰাজ্যখনৰ ১৭ খন লোকসভা আসনৰ ভিতৰত বি আৰ এছে ৯খন, বিজেপিয়ে ৪খন, কংগ্ৰেছে ৩খন, এম আই এমে এখন আসনত জয়লাভ কৰিছিল।

ooooooo

নিৰ্বাচন আয়োগে গুজৰাট, পঞ্জাৱ, ওড়িশা আৰু পশ্চিমবংগত জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা নন কেডাৰ বিষয়াসকলক বদলিকৰণৰ নিৰ্দেশ দিছে। নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধু তথা মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰৰ অধ্যক্ষতাত আয়োজিত বৈঠকত এই সিদ্ধান্ত লোৱা হয়। তদুপৰি আয়োগে পঞ্জাৱৰ বথিন্দাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অসমৰ শোণিতপুৰ জিলাৰ আৰক্ষী অধীক্ষককো বদলিকৰণৰ নিৰ্দেশ দিয়ে। বিষয়া দুগৰাকীৰ পৰিয়ালৰ লোক ৰাজনীতিৰ সৈতে জড়িত হৈ থকাৰ পৰিপ্ৰেক্ষিতত আয়োগে এই সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে কালি অধিসূচনা জাৰি কৰাৰ লগে লগে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই পৰ্যায়ত দেশৰ ১৭ খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২টা সমষ্টিক সামৰি লোৱা হ'ব। এই পৰ্যায়ৰ বাবে ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব।প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ২৭ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। ২৮ মাৰ্চত প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব ৩০ মাৰ্চ। অৱশ্যে বিহাৰৰ ক্ষেত্ৰত ২৮ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন ধাৰ্য কৰা হৈছে। ৰাজ্যখনত ৩০ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ বিপৰীতে মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিন হ'ব ২ এপ্ৰিল। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ হ'বলগীয়া চিকিম আৰু অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ বাবেও অধিসূচনা জাৰি কৰা হৈছে। দুয়োখন ৰাজ্যতে ১৯ এপ্ৰিলত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ২ জুনত ভোট গণনা কৰা হব।

০০০০

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে কালি ধুবুৰীৰ আন্তৰ্ৰাষ্ট্ৰীয় সীমান্তৰ পৰা গ্ৰেপ্তাৰ কৰা সন্ত্ৰাসবাদী সংগঠন আইচিচৰ ভাৰতত থকা মুৰববী হেৰিছ ফাৰুকী আৰু তেওঁৰ সহযোগী অনুৰাগ সিঙক ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাৰ হাতত গতাই দিয়া হৈছে। অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আজি আয়োজিত এখন সংবাদমেলত বিশেষ টাস্ক ফোৰ্চৰ মুৰববী পাৰ্থ সাৰথি মহন্তই হেৰিছ ফাৰুকী কূটাঘাতমূলক কাম-কাজৰ সৈতে জড়িত বুলি সদৰি কৰে। তদুপৰি আইচিচত সদস্য নিযুক্তি প্ৰক্ৰিয়াতো ফাৰুকী জড়িত বুলি আৰক্ষীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে সীমান্ত পাৰ হ'বলৈ চেষ্টা কৰা অৱস্থাত ধৰ্মশালা এলেকাৰ পৰা সন্ত্ৰাসবাদী দুটাক গ্ৰেপ্তাৰ কৰা হৈছিল।

০০০০০০০

নাগালেণ্ডত একমাত্ৰ লোকসভা আসনখনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া কালি আৰম্ভ হৈছে। ৰাজ্যখনত লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। নাগালেণ্ড সংসদীয় সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া সুশীল কুমাৰে কৈছে যে, কালি অধিসূচনা জাৰি কৰাৰ পাছত কোনো প্ৰাৰ্থী অথবা তেওঁৰ সমৰ্থকে ৰিটাৰ্ণিং বিষয়া বা সহকাৰী ৰিটাৰ্ণিং বিষয়াৰ ওচৰত দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ অহা ২৭ মাৰ্চৰ ভিতৰত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। তেওঁ লগতে কয় যে, ২৮ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ৩০ মাৰ্চ হৈছে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ৪ জুনত ভোটগণনা অনুষ্ঠিত হ'ব।

০০০০০০

নিৰ্বাচন আয়োগে ৰে'ল আৰু বিমান বন্দৰৰ দৰে চৰকাৰী সম্পত্তিসমূহৰ পৰা অকৰ্তৃত্বশীল ৰাজনৈতিক পোষ্টাৰসমূহ শীঘ্ৰেই আঁতৰাবলৈ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত চৰকাৰসমূহক নিৰ্দেশ দিছে। আয়োগে এখন পত্ৰযোগে প্ৰকাশ কৰিছে যে দেশৰ বিভিন্ন প্ৰান্তত এতিয়াও বহুতো অকৰ্তৃত্বশীল ৰাজনৈতিক বিজ্ঞাপন আদি প্ৰদৰ্শিত হৈ থকা বুলি বিভিন্ন পক্ষৰ পৰা তেওঁলোকে অভিযোগ লাভ কৰিছে। সেয়েহে আয়োগে এই বিষয়টো গুৰুত্ব সহকাৰে লৈ এনেধৰণৰ সকলো বিজ্ঞাপন

ততালিকে আঁতৰাবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত চৰকাৰসমূহক নিৰ্দেশ দিছে। আয়োগে লগতে আজি সন্ধিয়া ৫ বজাৰ ভিতৰত এই সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈও নিৰ্দেশ দিছে।

oooooo

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে উচ্চতম ন্যায়ালয় প্ৰাংগণত আজি সহায় কেন্দ্ৰৰ বিশেষ সুবিধা মুকলি কৰে। তেওঁ কয় যে ন্যায়াধীশ ৰবীন্দ্ৰ ভটৰ অধ্যক্ষতাৰ অধীনৰ সমিতিৰ প্ৰতিবেদন দাখিলৰ সৈতে আৰম্ভ হোৱা বিশেষ পদক্ষেপৰ সৈতে সংগতি ৰাখি এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয় যে বিশেষভাৱে সক্ষম লোক, জ্যেষ্ঠ নাগৰিক, গৰ্ভৱতী মহিলাকে ধৰি বিশেষ সহায়ৰ প্ৰয়োজন হোৱা লোকসকলৰ বাবে উচ্চতম ন্যায়ালয়ৰ সুবিধাসমূহ উপলব্ধ কৰোৱাৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ গ্ৰহণৰ বাবে এই সমিতিখনে পৰামৰ্শ দিয়ে।

ooooooo

ভাৰতে ৰাষ্ট্ৰসংঘত আফ্ৰিকান তথা গ্ল’বেল ছাউথৰ প্ৰতিনিধিত্বৰ অভাৱ আৰু স্থায়ী সদস্যপদৰ পৰিৱৰ্তন নোহোৱাৰ কথা উল্লেখ কৰি নিৰাপত্তা পৰিষদৰ সংস্কাৰৰ বিৰোধিতা কৰিছে আৰু ৰাষ্ট্ৰসংঘৰ Uniting for Consensus চমুকৈ UFC মডেলক সমালোচনা কৰিছে। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি ৰুচিৰা কাম্বোজে UFC মডেলৰ তীব্ৰ সমালোচনা কৰি কৈছে যে এই UFC মডেলে ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যাগৰিষ্ঠতাই পোষণ কৰা ধাৰণাৰ বিৰুদ্ধে থিয় দিছে আৰু এয়া হৈছে সম্প্ৰসাৰিত নিৰাপত্তা পৰিষদৰ স্থায়ী আৰু অস্থায়ী শ্ৰেণীৰ সম্প্ৰসাৰণ। ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যাগৰিষ্ঠতাই পোষকতা কৰা ধাৰণাৰ বিৰুদ্ধে থিয় দিয়া P5 দেশকে ধৰি ১২ খন দেশ আৰু দুজন পৰ্যবেক্ষকক লৈ গঠিত UFC আৰু UNSC সংস্কাৰৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় চৰকাৰী আলোচনাত ইটালীয়ে উপস্থাপন কৰা প্ৰস্তাৱত শ্ৰী কাম্বোজে এইদৰে কৈছে।

ooooooo

লাডাখক কাৰ্বন নিৰ্গমন শূন্য কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে গঢ়ি তুলিবৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই পদক্ষেপৰ অংশ হিচাপে পৰিবহণ খণ্ডই কাৰ্বন নিৰ্গমন শূন্য বাহনৰ প্ৰচলনৰ বাবে প্ৰচাৰ আৰম্ভ কৰিছে। সমগ্ৰ দেশতে প্ৰথমবাৰৰ বাবে এনে পদক্ষেপ গ্ৰহণ কৰিবলৈ ৰাষ্ট্ৰীয় তাপ শক্তি নিগমৰ সহযোগত পৰিবহণ বিভাগে হাইড্ৰ’জেনযুক্ত ইন্ধনচালিত বাছ জনসাধাৰণৰ মাজত প্ৰচলন কৰাৰ পৰিকল্পনা কৰিছে। পৰিবহণ বিভাগৰ আয়ুক্ত অমিত শৰ্মাই কৈছে যে কম সময়ৰ ভিতৰতে ৰাষ্ট্ৰীয় তাপ শক্তি নিগম আৰু পৰিবহণ বিভাগৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হ’ব। বিগত বৰ্ষৰ আগষ্ট আৰু ছেপ্তেম্বৰত তিনিচকীয়া আৰু চাৰিচকীয়া বৈদ্যুতিক বাহনৰ সফল পৰীক্ষাই প্ৰশাসনক বৈদ্যুতিক মালবাহী বাহনৰ প্ৰচাৰৰ বাবে উৎসাহ যোগাইছে। পৰিবহণ বিভাগে ১৯ মাৰ্চত এই সন্দৰ্ভত আলোচনা কৰিবৰ বাবে এখন কৰ্মশালাও অনুষ্ঠিত কৰিছিল।

ooooooo

ভাৰতীয় ৰে’ল বিভাগে উৎসৱৰ বতৰৰ প্ৰতি লক্ষ্য ৰাখি যাত্ৰীৰ সুচলতা সুনিশ্চিত কৰাৰ উদ্দেশ্যে ৫৪০ খন ৰে’লৰ চলাচল অব্যাহত ৰাখিছে। বিভাগটোৱে প্ৰকাশ কৰা অনুসৰি দেশজুৰি প্ৰধান চহৰসমূহ ৰে’লৰ জৰিয়তে সংযোগ কৰাৰ পৰিকল্পনা কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে যাত্ৰীসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে প্ৰধান ষ্টেচনসমূহত ৰে’ল সুৰক্ষা বাহিনীৰ অতিৰিক্ত জোৱান মোতায়েন কৰা হৈছে।

ooooooo

**সমাপ্ত**